# সমাজ বিৱৰ্তনত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱ

- অজিত কুমাৰ শৰ্মা, ডিব্ৰুগড়

📚 time to read: 6 minutes

পৃথিৱী সৃষ্টিৰ পিছৰ কোনো এক শুভ ক্ষণত মানুহৰ আৱিৰ্ভাৱ হ'ল। জৈৱিক বিৱৰ্তনৰ বাবে যেনে দৰে অন্যান্য বহুকোষী জীৱৰ সৃষ্টি হ'ল তেনেদৰে মানুহৰ সৃষ্টি হোৱাটোও অস্বাভাৱিক নহয়। পৃথিৱীৰ সকলো জীৱৰেই একোখন সমাজ থাকে। নিজে ঠিক কৰি লোৱাই হওক বা প্ৰাকৃতিক ভাৱেই হওঁক কিছুমান সমাজ ব্যৱস্থা সকলো জীৱৰে আছে। মানুহেও সমাজত থাকি ভাল পায়, কিন্তু মানুহৰ সমাজ ব্যৱস্থা অন্যান্য জীৱৰ তুলনাত কিছু পাৰ্থক্য আছে । মানুহৰ কাৰ্যকলাপ বুদ্ধিৰ দ্বাৰা পৰিচালিত হয় । সেয়েহে বুদ্ধিৰ দ্বাৰা পৰিচালিত মানুহে সমাজ ব্যৱস্থা সুন্দৰ কৰি গঢ়ি তোলাৰ উপৰি বাস্তৱ জীৱনৰ কাৰ্যকলাপ প্ৰয়োজন মতে সহজ আৰু সুন্দৰ কৰি তুলিব পাৰে।

পৃথিৱীত মানুহৰ ইতিহাসৰ পাত লুটিয়াই চালে আমি বহু তথ্য পাওঁ। আদিম যুগত যেতিয়া মানুহে হাবিয়ে বননিয়ে খাদ্য আৰু বাসস্থানৰ বাবে প্ৰব্ৰজন কৰিব লগা হৈছিল, জীৱন ৰক্ষাৰ বাবে গছৰ খোৰোং অথবা পৰ্বতৰ গুহাত বাস কৰিব লগা হৈছিল,গছৰ গুটি অথবা বন্যপ্ৰানীৰ কেঁচা মাংসৰ দ্বাৰা পেট পুৰাই জীৱন নিৰ্বাহ কৰিব লগা হৈছিল, সেই সময়তো মানুহৰ একোখন সমাজ আছিল। সেই সমাজত মানুহে ভাৱৰ আদান-প্ৰদান কৰাৰ ব্যৱস্থা আজিৰ তুলনাত কিছু ব্যতিক্ৰম আছিল । আকাৰ ইংগিতৰ দ্বাৰাও সমাজ ব্যৱস্থা কিছু সঠিক ভাৱে ৰাখিব পাৰিছিল। সেই সময়ৰ যি সামাজিক মূল্যবোধ আছিল সি লাহে লাহে পৰিৱৰ্তন হৈ আহিব ধৰিলে। মানুহৰ নতুন-নতুন চিন্তা চৰ্চাই মানুহৰ সমাজ ব্যৱস্থা উন্নত কৰি আনিলে। শিলৰ অস্ত্ৰ ব্যৱহাৰৰ উন্নতি সাধন কৰি ধাতুৰ অস্ত্ৰ ব্যৱহাৰ কৰিবলৈ ললে। চিকাৰ কৰাৰ প্ৰযুক্তিৰ পৰিৱৰ্তন ঘটিল। বন জুইয়ে পোৰা কেচা মাংসৰ সোৱাদ লৱলৈ পাই শিলৰ ঘঁহনিত জুই আবিস্কাৰ কৰি কেঁচা মাংসৰ পৰিবৰ্তে পোৰা মাংসৰ সোৱাদ লবলৈ শিকিলে। খাদ্যৰ বাবে আজি এঠাইত কালি এঠাইত ঘূৰি ফুৰিবলৈ এৰি খেতি বাতি কৰি একে ঠাইতে থকাৰ দিহা কৰিলে। বন্য প্ৰাণী চিকাৰৰ পৰিৱৰ্তে খাদ্যৰ বাবে আৱশ্যকীয় জীৱ জন্তু, পশু ,পক্ষী নিজে ঘৰতে পুহিবলৈ লৈ জীৱন ধাৰণৰ শৈলীকে সলনি কৰি পেলালে । লাহে লাহে পোহনীয়া জীৱ জন্তুৰ দ্বাৰা নিজৰ আৱশ্যকীয় কাম কাজ কৰাত সহায় কৰাবলৈ ধৰিলে। যাতায়তৰ বাৱে পানীত নাৱৰ ব্যৱস্থা কৰাৰ পাচত মাটিত চলিবৰ বাবে চকাৰ আৱিস্কাৰকে আদি কৰি নিৰৱছিন্ন প্ৰচেষ্টা অব্যাহত ৰাখি নতুন নতুন প্ৰযুক্তিৰ আৱিষ্কাৰ কৰি পৃথিৱীত নিজকে অন্য জীৱৰ তুলনাত শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিব পাৰিলে আৰু বিৱৰ্তনৰ লগে লগে আজিৰ এই অৱস্থা পোৱাত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই অৱিহণা যোগোই আহিব ধৰিলে । বিজ্ঞান হৈছে মানুহৰ এক উন্নত চিন্তা আৰু প্ৰযুক্তি বিদ্যা হৈছে বিজ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগ প্ৰতিফলন। ই হঠাৎ হোৱা কাৰ্য নহয়। ক্ৰমবৰ্ধমান ৰূপত

মানুহ জন্ম লগ্নৰে পৰাই আগ বাঢ়ি আহি আছে আৰু ইয়াৰ ফলশ্ৰুতিতেই সমাজ ব্যৱস্থাৰ ৰূপ সলনি হৈ আহিব ধৰিছে। মানুহৰ চাল- চলন, থকা-খাোৱা, সমাজ ব্যৱস্থাৰ প্ৰভাৱে লাহে লাহে বিৱৰ্তনৰ ৰূপত ঠিয় দি আজিৰ এই আধুনিক সমাজ গঢ়ি তুলিবলৈ সক্ষম হৈছে। সেয়েহে কব পাৰি যে, সমাজ ব্যৱস্থা সদায় গতিশীল আৰু এখন গতিশীল সমাজেহে সমাজৰ আধুনিকীকৰণত প্ৰক্ৰিয়াত দেহে কেহে অংশ গ্ৰহণ কৰিব পাৰে । বিজ্ঞান হ' ল এখন দেশৰ উন্নতি আৰু সভ্যতাৰ মাপ কাঠি । বৈজ্ঞানীক আৱিস্কাৰৰ তথ্য সমূহ কাৰ্য ক্ষেত্ৰত প্ৰয়াােগ কৰি উন্নত সা-সৰঞ্জাম বা| আহিলা পাতি উদ্ভাৱন কৰা হয় আৰু ইয়াৰ আলমতেই আৰম্ভ হয় প্ৰযুক্তি বিদ্যাৰ বিজয় গান । বিজ্ঞানে মানুহৰ চিন্তা ধাৰাৰ আমুল পৰিবৰ্তন সাধন কৰে । এখন দেশৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদিৰ দিশতাে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই প্ৰত্যক্ষ বা পৰােক্ষ ভাৱে প্ৰভাৱ পেলায়। বৰ্তমান সমাজত মানুহৰ চিন্তা ধাৰা আৰু কৰ্ম পদ্ধতি বিজ্ঞানেহে নিয়ন্ত্ৰণ কৰে। আনহাতে বিজ্ঞানে অন্যান্য দিশতাে বিকাশৰ মূলধন স্বৰূপ হৈ সৃষ্টি কৰে নজনা কথা জনাৰ বাবে প্ৰৱল হেপাঁহ আৰু বাস্তৱ ক্ষেত্ৰত ইয়াৰ পৰাই সুক্ষ্ম চিন্তা প্ৰয়াােগ কৰি বাস্তৱ জীৱনৰ সকলাে সমস্যা বৈজ্ঞানীক দৃষ্টিভংগীৰে সমাধান কৰাৰ প্ৰেৰণা পায় ।

আৰােগিক জীৱনতাে বিজ্ঞানৰ প্ৰভাৱ অতি গুৰুত্ব পূৰ্ণ। বৰ্তমান সমাজত থকা অন্ধ বিশ্বাস, কূ- সংস্কাৰ, বৰ্ণ - বিদ্বেষ আদিৰ দৰে ব্যৱস্থা বাােৰ নিৰ্মূল কৰাত বিজ্ঞানে যথেষ্ট সহায় কৰে। বৰ্তমান অৰ্থাৎ একবিংশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই উন্নতিৰ শিখৰত আৰােহণ কৰিব পাৰিছে । বিজ্ঞানৰ তথ্য-প্ৰযুক্তিৰ বিভিন্ন অৱদান যেনে মোবাইল ফোন, ৰেডিঅ', টেলিভিছন, কম্পিউটাৰ, উপগ্ৰহৰ যাােগাযাােগ ব্যৱস্থাৰ আৱিষ্কাৰে পৃথিৱীৰ উন্নত দেশ বাােৰৰ লগত যাােগাযাােগ কৰি শিক্ষাৰ আধুনিকীকৰণ কৰিব পাৰিছে । সকলাে বাস গৃহলৈ বিজুলী শক্তি যাােগান দিয়াৰ ব্যৱস্থা কৰিব পাৰিছে। নতুন নতুন কৃষি পদ্ধতি আবিষ্কাৰ কৰি অধিক উৎপাদনক্ষম শষ্য উদ্ভাৱন কৰিব পাৰিছে । কৃষিত জলসিঞ্চন পদ্ধতি ব্যৱহাৰে যিকোনাে প্ৰকাৰৰ মাটিতে কৃষি কৰিব পৰাৰ প্ৰযুক্তিৰ লগতে কীট-নাশক দ্ৰব্যৰ পৰিবৰ্তে জৈৱিক কীট নিবাৰণ পদ্ধতি উদ্ভাৱনেৰে জন জীৱনৰ ওপৰত উল্লেখনীয় প্ৰভাৱ পেলাইছে। মানুহৰ জীৱন নিৰ্বাহৰ মানদণ্ড উন্নত হাােৱাৰ লগতে উৎপাদিত কৃষি সামগ্ৰী চহৰ আৰু উদ্যোগ স্থান বাােৰলৈ সৰ বৰাহ কৰাৰ সুবিধা হাােৱাত গাওঁ আৰু চহৰৰ মাজত থকা ব্যৱধান ক্ৰমে হ্ৰাস পাই আহিছে । এখন দেশৰ উদ্যোগৰ ক্ষেত্ৰত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই ক্ৰমবৰ্ধমান ৰূপত যি বৰঙণি আগবঢ়াই আহিছে তাক নুই কৰিব নাােৱাৰি। নতুন নতুন যন্ত্ৰ পাতিৰ আৱিস্কাৰ আৰু প্ৰয়াােগৰ ফলত জীৱন ধাৰণৰ মানদণ্ড যথেষ্ট উন্নত হৈছে। চিকিৎসা বিজ্ঞানৰ উন্নতিৰ লগে লগে মানুহৰ বিভিন্ন দূৰাৰাােগ্য ৰাােগ ও নিয়ন্ত্ৰনৰ ভিতৰত ৰাখিব পাৰিছে আৰু মৃত্যৰ হাৰ আগৰ তুলনাত যথেষ্ট হ্ৰাস পাব ধৰিছে। মানুহে স্বাস্থ্যকৰ পৰিৱেশত সুস্বাস্থ্যৰ অধিকাৰী হৈ জীয়াই থকাৰ সুবিধা লাভ কৰিব পাৰিছে । বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যমৰ দ্বাৰা ডাঁৰৰ খবৰ ডাঁৰে জনাব পৰা হাােৱাৰ ওপৰিও শিক্ষা সাৰ্বজনীন কৰাৰ নিচিনা গধূৰ দায়িত্ব পালন কৰাও সহজ হৈ পৰিছে । ইয়াৰ জৰিয়তে এখন দেশৰ উঠি অহা শিশু অৰ্থাৎ দেশৰ মানৱ সম্পদ ৰক্ষা কৰাৰ বাবে মাৰাত্মক

ৰোগ নিবাৰণ কৰাৰ কৌশল জন সাধাৰণক জনাব পাৰিছে আৰু দিনক দিনে আমাৰ সমাজ ব্যৱস্থা উন্নতিৰ পথত আগ বাঢ়ি যাব পাৰিছে । বিশ্বৰ গোলকীকৰণৰ প্ৰভাৱত মানুহৰ কৃষ্টি সংস্কৃতি, আচাৰ-ব্যৱহাৰ, কৃষি ব্যৱস্থা, ব্যৱসায় -বাণিজ্য, চিকিৎসা ব্যৱস্থা আদি আদান প্ৰদানৰ যোগেদি সমাজৰ উন্নতি সাধন কৰিব পাৰিছে। অৰ্থাৎ এক আষাৰে কবলৈ গলে

বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অৱদানে বৰ্তমান সামাজিক বিৱৰ্তনত অভূতপূৰ্ব অৱদান আগ বঢ়াই আহিছে ই অনস্বীকাৰ্য । বিজ্ঞানৰ অৱদান সমূহ মানুহৰ

বিবেক আৰু বুদ্ধিৰ দ্বাৰা সমাজৰ উন্নতিৰ দিশত বিৱেচনা কৰি ব্যৱহাৰ কৰিলে সমাজখন আৰু উৰ্দ্ধলৈ গতি কৰিব।

( অতি উন্নত প্ৰযুক্তিৰে আৱিস্কাৰ কৰা স্কেনিং টানেলিং মাইক্ৰস্ক'পৰ সহায়ত মোলেৰ পৰমানুক বিশ্লেষণ কৰি সিহঁতৰ ভৌতিক আৰু ৰাসায়নিক ধৰ্মকো পৰিবৰ্তন কৰি প্ৰযুক্তি বিদ্যাত সহায় কৰিছে, নে'ন ছাবমেৰিণ আৱিষ্কাৰ

কৰি মানুহৰ দেহৰ জটিল স্থানৰ ৰোগ চিনাক্ত কৰাৰ লগতে ঔষধ যোগান | ধৰিব পাৰিছে তেনেস্থলত ইমান উন্নত শিখৰত উপনীত হোৱা মানুহে কভিড ১৯

ক যেন বলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰাৰ দৰে হৈছে। উন্নত দেশ বোৰেই যদি এই ৰোগত আক্ৰান্ত হয় তেন্তে আমাৰ দৰে তৃতীয় বিশ্বৰ দেশ বোৰৰ বাবে পানীত হাঁহ নচৰা অৱস্থা হ'ব। তথাপি আমাৰ দেশৰ নাগৰিক সকলে উচ্চ চিন্তা ধাৰাৰে পৰিকল্পনা কৰা নীতি সমুহ অনুধাৱন কৰিলে নিশ্চয় আমাৰ নিচিনা উন্নয়নশীল দেশ সমূহৰ লগতে অন্যান্য দেশ সমূহেও এই মহামাৰী সদৃশ ৰোগৰ ভাইৰাছ বোৰৰ সংক্ৰমন ৰোধ কৰি পৰিত্ৰাণ পাব পাৰিম । মাত্ৰ আৱশ্যক সকলো দেশবাসীৰে একান্ত সহায় আৰু সহযোগিতা। প্ৰাকৃতিক ভাৱে সৃষ্টি হোৱা দুৰ্যোগতকৈ মানৱ সৃষ্ট দুৰ্যোগ অতি ভয়াবহ। হে মহা-মানৱ অনুৰোধ কৰো যাতে পৃথিৱীৰ সকলো মানুহকে একেটা পৰিয়ালৰ সদস্য হিচাপে জ্ঞান কৰি মানুহৰ কুশল চিন্তাৰে কাৰ্য কৰি গলে গোটেই পৃথিৱী খনেই সুন্দৰ হ'ব। আহক, আমি সকলোৱে এই পৃথিৱীত শান্তিৰে বসবাস কৰাৰ বাবে পৰিৱেশ গঢ়ি তোলো)।